স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বার্তা

১০ মার্চ ২০২৬ চন □ VOL-15 □ NO-360 □ TUESDAY 10 MARCH 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH ED

ম
ৰ জন্ম

## কানৈ মহাবিদ্যালয়ক ৰাষ্ট্ৰসংঘ-ইউনেস্ক'ৰ উচ্চ পদস্থ বিষয়াৰ ভূয়সী প্ৰশংসা

# ডিব্ৰুগড়ত নাৰী দিৱসত পাঁচ মহিলাক বঁটা প্ৰদান

**বিশেষ বার্তা, ডিব্ৰুগড়, ৯ মার্চ ঃ** 'যেতিয়া সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত নাৰীয়ে মুক্তভাৱে অংশগ্ৰহণ কৰিব পাৰিব, তেতিয়াই নাৰীৰ মর্যাদা বৃদ্ধিপাব। নাৰী-পুৰুষ নির্বিশেষ এখন সমাজ, মানুহৰ সমাজ, য'ত পুৰুষ আৰু নাৰী পৰস্পৰ নির্ভৰশীল হৈ পৰিব, সেই দিনটোতহে নাৰী দিৱস এনেকৈ পতাৰ প্ৰাসংগিকতা নোহোৱা হ'ব।' —ঐতিহাসিক ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্ত শাসিত), ইউনেস্ক' এছ'চিয়েচন, গুৱাহাটী, মহীয়সী সেউজী সাহিত্য মঞ্চ ডিব্ৰুগড় জিলা আৰু কানৈ মহাবিদ্যালয়ৰ ৰুক্মিণী দেৱী কানৈ ছাত্ৰী নিৱাসৰ উদ্যোগত ইউৰোপ, আমেৰিকা, এছিয়া, আফ্ৰিকা মহাদেশৰ ইউনেস্ক' তথা ইউনেস্ক' এছ'চিয়েচনৰ কার্যালয় সামৰি 'হাইব্ৰীড' মাধ্যমত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ মুখ্য অতিথি হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° পল্লৱী ডেকা বুজৰবৰুৱাই কালি এইদৰে কয়। কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত অনুষ্ঠানটোত ড° বুজৰবৰুৱাই কয়, 'নাৰীয়ে নিজকে নিজৰ মাজত আৱিষ্কাৰ কৰিব লাগিব, মই সত্তাটোক আৱিষ্কাৰ কৰিব লাগিব, নিজক সন্মান কৰিব লাগিব, তেতিয়াহে নাৰীয়ে নিজকে সমাজত থকা পুৰুষ-নাৰীৰ মাজত থকা প্ৰভেদ দূৰ কৰিব পাৰিব।' ছাত্ৰী নিভা লাহন আৰু চয়নিকা বুঢ়াগোহাঁয়ে আঁত ধৰা অনুষ্ঠানটোত উদ্দেশ্য ব্যাখ্যা কৰে ইউনেস্ক' এছ'চিয়েচন, গুৱাহাটীৰ সঞ্চালকপ্ৰধান ড° অশ্বিনী শৰ্মাই। অনলাইন মাধ্যমেৰে ড° শৰ্মাই কয়, 'নাৰী আৰু পুৰুষৰ মাজত সমান স্বাধীনতাইহে সমাজত নাৰীক প্ৰকৃত মর্যাদা প্ৰদান কৰিব পাৰিব। সমাজত থকা নাৰী আৰু পুৰুষৰ মাজৰ বিভেদ দূৰ হ'লেহে নাৰীৰ মর্যদা বৃদ্ধি পাব।' তেওঁ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ নেতৃত্বত সমগ্ৰ বিশ্বক সামৰি এনে এটি সুন্দৰ অনুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে অধ্যক্ষগৰাকীক ভূয়সী প্ৰশংসা কৰে। অনলাইনযোগে অনুষ্ঠানটো উদ্বোধন কৰি কটন বিশ্ববিদ্যালয়ৰ মনোবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ডিম্পী মহন্তই কয়, 'নাৰীৰ শিক্ষা আৰু স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দিলেহে এখন সমাজ উন্নতিৰ শিখৰত আগুৱাবপাৰিব। স্বাস্থ্যৱান মহিলাই সমাজ উত্তৰণত গুৰুত্বপূর্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।' অনুষ্ঠানটোত আদৰণী ভাষণ দি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ পেনেলিষ্ট তথা সমন্বয়ক ড° শশীকান্ত শইকীয়াই কয়, 'আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ এক ইতিহাস আছে আৰু এই দিৱসত প্ৰতিগৰাকী নাৰীৰ শক্তি, সংগ্ৰাম, ত্যাগ আৰু উত্তৰণৰ বিষয়ে আলোচনা কৰা হয়। প্ৰাচীন কালৰ পৰা সাম্প্ৰতিক সময়লৈকে নাৰীৰ যি যাত্ৰা, সেই যাত্ৰা কেৱল সময়ৰ পৰিৱর্তন নহয়, ই হ'ল মানসিকতা আৰু স্থিতিৰ এক বৈপ্লৱিক উত্তৰণ।' গাম্ভীর্যপূর্ণ অনুষ্ঠানটোত ডিব্ৰুগড় জিলা পৌৰ নিগমৰ মেয়ৰ ডাঃ চৈকত পাত্ৰ, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পার্থ গাংগুলীয়ে মননশীল বক্তব্য আগবঢ়ায়। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য বৰঙণিৰ বাবে পাঁচগৰাকী মহিলা ক্ৰমে কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা ড° নির্মালি পেগুক 'উদ্যমী মহিলা বঁটা', বিশিষ্ট সমাজকর্মী-উদ্যোগী ইলা লাচনক 'উদ্যোগী মহিলা বঁটা' আৰু বিশিষ্ট লেখিকা পদ্মলতা য়েইনক 'লুইতপাৰৰ সাহিত্য কণ্ঠ বঁটা'ৰে সন্মানিত কৰা হয়। কানৈ মহাবিদ্যালয়ৰ দুগৰাকী ছাত্ৰী ক্ৰমে ভাৰ্চী গগৈক 'অগ্নি শিখা যুৱ বঁটা', নিভা লাহনক 'সৃজনী-শ্ৰী যুৱ বঁটা' প্ৰদান কৰা হয়। অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কর্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে ডিব্ৰুগড় চহৰৰ বহুকেইগৰাকী গণ্য-মান্য লোক উপস্থিত থাকে। উল্লেখ্য যে ৰাষ্ট্ৰসংঘ, ইউনেস্ক'ৰ বহুকেইগৰাকী উচ্চ পর্যায়ৰ বিষয়াই অনলাইন মাধ্যমত অংশগ্ৰহণ কৰে আৰু এনে কার্যসূচীৰ উদ্যোক্তাসকলক ভূয়সী প্ৰশংসা কৰে। জাতীয় সংগীতেৰে সামৰণি মৰা অনুষ্ঠানটোৰ শেষত শলাগ জ্ঞাপন কৰে মহীয়সী সেউজী সাহিত্য মঞ্চৰ ডিব্ৰুগড় জিলাৰ সম্পাদিকা মামণি শৰ্মাই।